# *Script / Assamese Bulletin / Dibrugarh / 6pm / 23-02-2018*

বৰ্তমানৰ ৰাজ্য চৰকাৰখনৰ কাৰ্যকালত এতিয়ালৈকে মুঠ এহেজাৰ ৫০ খন কাঠৰ দলং পকীকৰণৰ ব্যৱস্থা কৰা হৈছে। অসম বিধানসভাৰ বাজেট অধিৱেশনত আজি বিধায়ক মামুন ইমদাদুল হক চৌধুৰীৰ এটা প্ৰশ্নৰ উত্তৰত গড়কাপ্তানী মন্ত্ৰী পৰিমল শুক্লবৈদ্যই এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে, ২০১৭-২০১৮ বিত্তীয় বৰ্ষত প্ৰাথমিক পৰ্যায়ত দুশখন দলং নিৰ্মাণৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰে ১৩৫ খনৰ নিৰ্মাণৰ প্ৰাৰমভিক কাম-কাজ চলি থকাৰ বিপৰীতে ৭ খন দলঙৰ আৱন্টন প্ৰক্ৰিয়া চলি আছে। ইয়াৰ উপৰিও ৫৮ খন দলঙৰ অনুমোদনৰ বাবে বিত্ত বিভাগলৈ প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে বুলি মন্ত্ৰী শ্ৰী শুক্লবৈদ্যই সদনক জানিবলৈ দিয়ে।

ইফালে আজি সদনৰ নীতি নিয়ম উলংঘা কৰাৰ অভিযোগত কংগ্ৰেছৰ বিধায়ক শ্বেৰমান আলীক সদনৰ পৰা বহিস্কাৰ কৰা হয়। বৰপেটা জিলাৰ বাঘবৰত হোৱা পশুধনৰ মৃত্যুৰ ঘটনা তথা দলং মেৰামতিক লৈ বিভাগীয় মন্ত্ৰীৰ উত্তৰত অসন্তুষ্টি প্ৰকাশ কৰি সদনত হুলস্থুলীয়া পৰিৱেশ সৃষ্টি কৰাৰ বাবে অধ্যক্ষ হিতেন্দ্ৰ নাথ গোস্বামীয়ে এদিনৰ বাবে তেওঁক সনদৰ পৰা বহিস্কাৰ কৰে।

**000000**

চুবুৰীয়া ৰাজ্য মেঘালয় আৰু নাগালেণ্ডত অহা ২৭ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচনী প্ৰচাৰ অভিযান দুয়োখন ৰাজ্যত পূৰ্ণগতিত চলি আছে। আকাশবাণীয়ে বিশেষ অনুষ্ঠানযোগে ৰাজনৈতিক দলসমূহৰ নীতি আৰু মতাদৰ্শৰ বিষয়ে প্ৰচাৰ কৰি ভিতৰুৱা অঞ্চলৰ জনসাধাৰণেও যাতে এই ক্ষেত্ৰত অৱগত হ'ব পাৰে তাৰ ব্যৱস্থা কৰিছে। ৰাজ্যিক নিৰ্বাচনী বিভাগসমূহেও জনসাধাৰণক ভোটদানৰ বাবে আগ্ৰহী কৰি তুলিবলৈ বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে।

ইফালে ত্ৰিপুৰাত যোৱা ১৮ ফেব্ৰুৱাৰীত অনুষ্ঠিত বিধানসভা নিৰ্বাচনত সংঘটিত কেতবোৰ বিসংগতিৰ বাবে নিৰ্বাচন আয়োগে অহা ২৬ ফেব্ৰুৱাৰীত পুৱা ৭ বজাৰ পৰা  বিয়লি ৪ বজালৈ ৬টা ভোট গ্ৰহণ কেন্দ্ৰত পুনৰ ভোট গ্ৰহণৰ নিৰ্দেশ দিছে। এই সমপৰ্কে জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধিৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ ৰাজ্যিক নিৰ্বাচনী বিভাগক নিৰ্বাচন আয়োগে নিৰ্দেশ দিছে।

আনহাতে ৰাজ্যখনত অহা ৩ মাৰ্চত অনুষ্ঠিত হ'বলগীয়া ভোট গণনাৰ সময়ত তাকাৰজালা আৰু গোলাঘাটি বিধানসভা সমষ্টিৰ ভোট গণনাৰ স্থান সলনি কৰিবলৈ চি পি আই এম দলৰ ত্ৰিপুৰা ৰাজ্যিক সমিতিয়ে নিৰ্বাচন আয়োগক অনুৰোধ জনাইছে।

**000000**

ৰাজ্য চৰকাৰে ২২ ছেপ্তেম্বৰৰ দিনটো গঁড় দিৱস পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। কালি ৰাজ্যিক বন্যপ্ৰাণী পৰিষদৰ দশম বৈঠকত অধ্যক্ষতা কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱালে এই প্ৰস্তাৱ আগবঢ়ায়। এই দিৱস পালনৰ জৰিয়তে ৰাজ্যখনৰ ২৫০০টা গঁড়ৰ সংৰক্ষণ আৰু সংবৰ্ধনৰ দিশটোৰ ওপৰত বিশেষভাৱে গুৰুত্ব দিয়া হ'ব। ইয়াৰ উপৰিও বিশ্ব পৰিচিত, অসমৰ গৌৰৱ, এটা খৰ্গযুক্ত গঁড়ৰ প্ৰতি উপযুক্ত সন্মান প্ৰদৰ্শনৰ ওপৰত আলোকপাত কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। গঁড়ৰ সুৰক্ষা আৰু সংৰক্ষণৰ বাবে ৰাষ্ট্ৰীয় গঁড় প্ৰকল্পৰ দৰে ৰাজ্যিক গঁড় প্ৰকল্পও আৰম্ভ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। এই বৈঠকত মুখ্যমন্ত্ৰীয়ে অস্বাভাৱিক কাৰণত বন্য প্ৰাণীৰ মৃত্যু হ'লে ততালিকে সেই স্থানলৈ তাৎক্ষণিক বাহিনী প্ৰেৰণত উদ্যোগ ল'বলৈও ৰাজ্যিক বন্যপ্ৰাণী পৰিষদক নিৰ্দেশ দিয়ে। ৰেল লাইনত বন্যহস্তীৰ মৃত্যু হোৱা দিশটোৰ ওপৰত উদ্বেগ প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে পৰিষদক ৱৰ্ল্ড ৱাইল্ড

লাইফ ফ'ৰামৰ সহযোগত ৰাজ্যৰ বন্যহস্তীৰ কৰিডৰসমূহৰ জৰীপ কাৰ্য চলাবলৈও নিৰ্দেশ দিয়ে। বৈঠকত বন্যপ্ৰাণী ৰোগ অধ্যয়ন তথা নিৰাময়ৰ ক্ষেত্ৰত সহায়ক হোৱাকৈ সুকীয়া বন্যপ্ৰাণী স্বাস্থ্য আৰু গৱেষণা প্ৰতিষ্ঠান স্থাপনৰ ওপৰতো বিস্তৃতভাৱে আলোচনা কৰা হয়।

**000000**

আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ প্ৰতিষ্ঠাৰ ৫০ বছৰ পূৰ্ণ হোৱা উপলক্ষে উদযাপন কৰিবলৈ লোৱা বছৰজোৰা সোণালী জয়ন্তী উৎসৱ কাৰ্যসূচী আজি আৰম্ভ কৰা হয়। আজি পুৱা চাৰে ৫ বজাত ডিব্ৰুগড়ৰ পুৰণি হাইস্কুল ফিল্ডৰ পৰা আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ কাৰ্যালয়ৰ প্ৰাঙ্গণলৈ আয়োজিত শান্তিৰ বাবে সমূহীয়া দৌৰেৰে এই কাৰ্য্যসূচী মুকলি কৰা হয়। চি আৰ পি এফৰ ১৭১ নম্বৰ বেটেলিয়নৰ দ্বিতীয় কমাণ্ডেন্ট মনোজ কুমাৰ সিঙে ফ্লেগ অফ কৰা এই দৌৰত শতাধিক ব্যক্তিয়ে অংশগ্ৰহণ কৰে। পুৱা চাৰে ৭ বজাত অনুষ্ঠিত বৃক্ষৰোপণ কাৰ্য্যসূচীৰ পিছত সন্ধিয়া চাৰে ৫ বজাৰ পৰা সোণালী জয়ন্তীৰ বছৰজোৰা কাৰ্য্যসূচী উদ্বোধনী অনুষ্ঠান আৰম্ভ হৈছে। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড০ নগেন শইকীয়াই বছৰজোৰা সোণালী জয়ন্তীৰ কাৰ্য্যসূচী উদ্বোধন কৰে। এই অনুষ্ঠানৰ লগতে লোকসংগীতৰ ৰিয়েলিটি শ্ব' লোকসংগীত মাধুৰীৰ পুৰস্কাৰ বিতৰণৰো আয়োজন কৰা হৈছে।

**000000**

আজিৰে পৰা ৰাজ্যখনত উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষা আৰম্ভ হৈছে। অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে জানিবলৈ দিয়া মতে, ৮২৬ টা পৰীক্ষা কেন্দ্ৰত অনুষ্ঠিত এই পৰীক্ষাত ২ লাখ ৫৫ হাজাৰ ৬৯৭ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছে। কলা, বিজ্ঞান আৰু বাণিজ্য শাখাত অনুষ্ঠিত এই পৰীক্ষাৰ বাবে প্ৰয়োজনীয় সকলো সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে প্ৰকাশ কৰিছে।

**000000**

শিৱসাগৰ জিলা পৰিষদত সংঘটিত ৬৫ লাখ টকীয়া কেলেংকাৰীত জড়িত থকাৰ অভিযোগত এজন ব্যক্তিক শিৱসাগৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। কেলেংকাৰীৰ গোচৰৰ পৰা ৰক্ষা পাবলৈ শিৱসাগৰ আৰক্ষীক ২ লাখ টকাৰ উৎকোচ দিবলৈ অহাৰ সময়তে আৰক্ষীয়ে হালাল উদিদন নামৰ এই লোকজনক গ্ৰেপ্তাৰ কৰে। জিলা পৰিষদৰ এই কেলেংকাৰীৰ বাবে ইতিমধ্যে গ্ৰেপ্তাৰ হোৱা পৰিষদৰ গাণনিক বিষয়া সুব্ৰত কুমাৰ চৌধুৰীৰ সৈতে মিলি এটা ভুৱা প্ৰতিষ্ঠান খুলি অবৈধভাৱে ধন মুকলি কৰি নিয়া বুলি হালাল উদিদনৰ বিৰুদ্ধে অভিযোগ উত্থাপিত হৈছে।

**000000**

**সমাপ্ত**